## REGISTRATION FORM

NATIONAL SEMINAR ON **' Wisdom and Talent of Srimanta Sankardeva'**

Name (Block Letter) ..........................................................................

Designation ..........................................................................

Organization/Affiliation ..........................................................................

Name of the Institution ..........................................................................

Contact/Whatsapp No. ..........................................................................

E-mail ID ..........................................................................

Nature of Participation : Paper/Poster/Participant.

Title of the Paper ..........................................................................

..........................................................................

..........................................................................

Registration fee paid ..........................................................................

Date ____________ Signature ______________

* Google link for Registration
* Participants outside the state may also join through online mode. Link for joining will be provided on time.

**Registration link :**

https://docs.google.com/forms/d/18aLPHFTpy2KI8XjwJC9cK3TDsoBaflnurZKX8M__8wk/edit?usp=sharing

### IMPORTANT DAYS AND GUIDENCE FOR SUBMISSION

- সাৰাংশ জমা - ৩০ আগষ্টৰ ভিতৰত
  Submission of abstract : Before 30th Aug. 2025
- সম্পূৰ্ণ পত্ৰ জমা - ৫ ছেপ্টেম্বৰৰ ভিতৰত
  Submission of Full Paper : Before 5th September, 2025
- পঞ্জীয়ন মাচুল /Registration Fee :
  শিক্ষক = ৭০০/-, গৱেষক ছাত্ৰ-ছাত্ৰী = ৫০০/-, ছাত্ৰ-ছাত্ৰী = ১০০/-
- সাৰাংশ ১৫০-২০০ শব্দৰ ভিতৰত
  Abstract between 150-200 words
- সম্পূৰ্ণ পত্ৰ ১৫০০-২০০০ শব্দৰ ভিতৰত
  Full Paper - within 1500-2000 words.

### SUB THEMES :

- Life and Philosophy of Srimanta Sankardeva
  শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন আৰু দৰ্শন
- Humanistic ideals in the writings of Srimanta Sankardeva
  শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যত মানৱীয় আদৰ্শ
- RASA in Srimanta Sankardeva's NAAT
  শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটত ৰস
- The literary talent of Srimanta Sankardeva
  শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্য শৈলী
- Father of Assamese Dramatic Literature : Srimanta Sankardeva
  অসমীয়া নাট্য সাহিত্যৰ জনক ঃ শ্ৰীমন্ত শঙ্কৰদেৱ
- Biographic Novels of Srimanta Sankardeva
  শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনভিত্তিক উপন্যাস
- Literary Language of Srimanta Sankardeva
  শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ ভাষা
- VRINDAVANI VASTRA : Mahapurusha Srimanta Sankardeva's immortal creation
  মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অমৰ সৃষ্টি বৃন্দাবনী বস্ত্ৰ
- Painting and Mahapurusha Srimanta Sankardeva
  চিত্ৰকলা আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ
- Need of ANKIA BHAONA in the mental development of the youth
  যুৱ সমাজৰ মানসিক বিকাশত অংকীয়া ভাওনাৰ প্ৰয়োজনীয়তা
- Music of Mahapurusha Srimanta Sankardeva
  মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সংগীত
- Naamghar : Foundation of Assamese culture
  অসমীয়া সংস্কৃতিৰ আধাৰ নামঘৰ
- BHAONA : Tradition and Heritage
  ভাওনাৰ পৰম্পৰা আৰু ঐতিহ্য
- Aharjya of Ankia Bhaona
  অংকীয়া ভাওনাৰ আহাৰ্য
- Architect and Founder of Ideal Society: Mahapurusha Srimanta Sankardeva
  আদৰ্শ সমাজ নিৰ্মাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ
- Mahapurusha Srimanta Sankardeva : the architect of Assam's economic foundation
  মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ অসমৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাতা
- Reflection of socio-economic scenario in the literature of Mahapurusha Srimanta Sankardeva
  মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যত অসমৰ আৰ্থ-সামাজিক চিত্ৰৰ প্ৰতিফলন
- Mahapurusha Srimanta Sankardeva as the founder of cottage and small scale industry
  অসমৰ কুটীৰ আৰু ক্ষুদ্ৰ শিল্পৰ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

**THE ASSAM CO-OPERATIVE APEX BANK LTD**

Name : The Bir Lachit Borphukan College
Account No. : 131042010012618
IFSC Code : HDFC0CACABL



# NATIONAL SEMINAR

on

# ' Wisdom and Talent of Mahapurusha Srimanta Sankardeva'

(মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰজ্ঞা আৰু প্ৰতিভা)

10th & 11th September, 2025

*Organised by*

**Department of Assamese, BLB College**
**and**
**Sahitya Sakha Samitee, Srimanta Sankardeva Sangha**

*In collaboration with*

**Internal Quality Assurance Cell (IQAC),**
**Sankardeva Study Centre,**
**Sakha Sahitya Sabha, B.L.B. College, Sivasagar**
**and**
**Sahitya Sakha Samitee, Sivasagar Jila Sakha**
**Srimanta Sankaradeva Sangha**

**Venue : Bir Lachit Borphukan College**
Accredited by NAAC with B+
Dist. : Sivasagar, Pin-785640 (Assam)

প্ৰতি,

.......................................................................................

.......................................... মহাবিদ্যালয়/বিশ্ববিদ্যালয়

আমি আপোনাক জনাবলৈ পাই সুখী হৈছো যে, বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, সাহিত্য শাখা সমিতিৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, শঙ্কৰদেৱ অধ্যয়ন কেন্দ্ৰ আৰু মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ সহযোগত অহা ইং. ১০ আৰু ১১ ছেপ্তেম্বৰ, ২০২৫ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ত এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ আয়োজন কৰা হৈছে। "শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰজ্ঞা আৰু প্ৰতিভা' শীৰ্ষক মূল বিষয়ৰ আলোচনা-চক্ৰখনত শঙ্কৰদেৱৰ সাহিত্য, সংস্কৃতি, ভাষা, ধৰ্ম আৰু অন্যান্য প্ৰাসংগিক বিষয়কো সামৰি লোৱা হৈছে।

তদুপলক্ষে আপোনাৰ শিক্ষানুষ্ঠানৰ আগ্ৰহী সন্মানীয় অধ্যাপক-অধ্যাপিকা, গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলক আলোচনা-চক্ৰখনিত অংশগ্ৰহণ কৰিবৰ বাবে এই পত্ৰৰ দ্বাৰা নিমন্ত্ৰণ জনাইছোঁ।

ধন্যবাদ সহকাৰে-

আয়োজক মণ্ডলীৰ হৈ-

দিপালী নেওগ
উপদেষ্টা, আহ্বায়ক সমিতি

ড° পঙ্কজ জ্যোতি হাজৰিকা
সঞ্চালক তথা অধ্যক্ষ,
বীৰ লাচিত বৰফুকন মহাবিদ্যালয়
শিৱসাগৰ

অচ্যুত কৃষ্ণ কলিতা
সম্পাদক,
সাহিত্য শাখা সমিতি,
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

ড° মৃণাল কুমাৰ বৰুৱা
সভাপতি
সাহিত্য শাখা সমিতি,
শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ

সমন্বয়ক : পিংকী দাস, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
: ৰূপা বৰগোহাঁই, সম্পাদক, সাহিত্য শাখা সমিতি, শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, শিৱসাগৰ জিলা শাখা

সহ-সমন্বয়ক : লক্ষী শেনছোৱা, অজিত বৰা, ধ্ৰুৱজ্যোতি বৰঠাকুৰ

সমন্বয়ক, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ : শান্তনু বুঢ়াগোহাঁই

আহ্বায়ক : আয়োজক সমিতি- মঞ্জুমালা শৰ্মা, অঞ্জুমণি চিৰিং ফুকন, টুটুমণি গগৈ

সহ-আহ্বায়ক : অপৰাজিতা শৰ্মা, জিন্তু শইকীয়া, নৱজ্যোতি শৰ্মা

যোগাযোগ সমিতি :


মঞ্জুমালা শৰ্মা (৮৭৫২৮২০৯৮৯), অঞ্জুমণি চিৰিং ফুকন (৯৭০৬০৭৪৭৭১), পিংকী দাস (৮৭৬১০৭২২৩০)

সংক্ষিপ্তসাৰ আৰু আলোচনা পত্ৰ পঠিওৱা ই-মেইল
anjumoni6925@gmail.com
monjumalasarmah21@gmail.com
dhrubablb@gmail.com


### আলোচনা-চক্ৰৰ মূল বিষয়বস্তু :

অসমৰ ধৰ্ম, ভাষা, সাহিত্য, সমাজ, সাংস্কৃতিক জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। প্ৰতিজন অসমীয়াৰ মনে প্ৰাণে প্ৰবাহিত মহাপুৰুষজনাৰ সৃষ্টিৰাজিক বহলভাৱে চৰ্চা কৰাটো এটা প্ৰয়োজনীয় দিশ। পোন্ধৰশ শতিকাৰ এজন দূৰদৰ্শী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ উত্তৰণত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। এইগৰাকী মহাপুৰুষৰ অৱদানক আলোকপাত কৰিবৰ বাবে "শঙ্কৰদেৱৰ প্ৰজ্ঞা আৰু প্ৰতিভা" শীৰ্ষক আলোচনা চক্ৰখনি আয়োজন কৰা হৈছে।

শঙ্কৰদেৱৰ জ্ঞান তথা সৃষ্টিশীল প্ৰতিভাৰ বিভিন্ন দিশ অন্বেষণ আৰু চৰ্চা কৰিবৰ বাবে এখন মঞ্চ প্ৰস্তুত কৰাই আমাৰ লক্ষ্য।

### বীৰ লাচিত বৰফুকন মহাবিদ্যালয় :

ঐতিহাসিক শিৱসাগৰত ১৯৮১ চনত প্ৰতিষ্ঠা হৈছিল বীৰ লাচিত বৰফুকন মহাবিদ্যালয়। জাতীয় বীৰৰ নামত প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনিয়ে শিৱসাগৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চল সমূহৰ উচ্চ শিক্ষাৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হৈ পৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগতে মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক কলা শাখা, উচ্চতৰ মাধ্যমিক মুক্ত বিদ্যালয়, কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমসমূহো উপলব্ধ। ৫.৫ একৰ ভূমিত অৱস্থিত মহাবিদ্যালয়খনিয়ে উচ্চ শিক্ষাৰ সকলো সুবিধাই ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰি আহিছে। ২০২৩ বৰ্ষৰ নাকৰ দ্বাৰা 'B+' স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয়খনিয়ে গ্ৰাম্যাঞ্চলৰ মন্থৰ শিক্ষাৰ্থীক মৌলিক উচ্চ শিক্ষা প্ৰদান কৰি দক্ষতা ভিত্তিত পাঠ্যক্ৰম প্ৰদান কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

### অসমীয়া বিভাগ, বীৰ লাচিত বৰফুকন মহাবিদ্যালয় :

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ পৰাই মহাবিদ্যালয়ৰ শৈক্ষিক বিকাশত বিশেষ অৰিহণা যোগোৱা বিভাগ হৈছে অসমীয়া বিভাগ। এই বিভাগে বিশ্ববিদ্যালয়ৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ উপৰিও অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ উত্তৰণত গুৰুত্ব প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত আগবঢ়োৱাৰ প্ৰচেষ্টাত ব্ৰতী হৈ আছে। বিশেষভাৱে অসমীয়া বিভাগে অনা-অসমীয়া লোকসকলক অসমীয়া ভাষা শিক্ষণত বিভিন্ন প্ৰচেষ্টা হাতত লৈছে। বিভাগৰ এটা সুসজ্জিত বিভাগীয় পুথিভঁৰাল আৰু নিজা সংগ্ৰাহালয় আছে, য'ত ছাত্ৰ- ছাত্ৰীসকলক সাহিত্য, সংস্কৃতি আদি কাৰ্যকলাপত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। বিভাগৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমিতিয়ে বিভাগৰ সৰ্বাংগীণ বিকাশত অৰিহণা যোগায়।

### শাখা সাহিত্য সভা- বীৰ লাচিত বৰফুকন মহাবিদ্যালয় :

শিক্ষাৰ্থী আৰু সাহিত্য অনুৰাগীসকলৰ মাজত সাহিত্য সৃষ্টি আৰু চৰ্চাৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে গঠিত অসম সাহিত্য সভাৰ অধীনৰ এটা শাখা বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ শাখা সাহিত্য সভা। ২০২৫ বৰ্ষৰ জানুৱাৰী মাহত গঠিত এই শাখাই ইতিমধ্যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সাহিত্য চৰ্চাত বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে।

### শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, সাহিত্য শাখা সমিতি :

১৯৩০ চনত নগাঁও জিলাৰ পলাশনিত প্ৰতিষ্ঠা হোৱা উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, বৌদ্ধিক আৰু আধ্যাত্মিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ এখনি অন্যতম শাখা সমিতি হ'ল— সাহিত্য শাখা। সাহিত্য শাখা সমিতিৰ যোগেদি শঙ্কৰী সাহিত্যৰ চৰ্চা আৰু গৱেষণাৰ বিপুলায়তন কৰ্ম শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই যোৱা কেইবাটাও দশকজুৰি সম্পাদন কৰি আহিছে। বিশেষকৈ মহাপুৰুষদুজনাৰ ৰচনাৰাজি বিশুদ্ধ ৰূপত প্ৰকাশ কৰা, সম্পাদনা কৰা, বিভিন্ন ভাষালৈ অনুবাদ কৰাৰ কাম এই শাখাৰ যোগেদি সম্পাদন হৈ আহিছে। উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীয় ভাষালৈয়ো মহাপুৰুষ দুজনাৰ সৃষ্টিৰাজিৰ অনুবাদৰ এক উল্লেখযোগ্য পদক্ষেপ ইয়াৰ জৰিয়তে সম্পাদন কৰি আহিছে। তদুপৰি মহাপুৰুষ দুগৰাকীৰ সৃষ্টিৰাজিৰ সম্পৰ্কে অধ্যয়ন, অনুসন্ধান আৰু নৱমূল্যায়নৰ কামো এই শাখাৰ যোগেদি সম্পাদন কৰি থকা হৈছে।

### শংকৰদেৱৰ অধ্যয়ন কেন্দ্ৰ, বীৰ লাচিত বৰফুকন মহাবিদ্যালয় :

শিৱসাগৰত বীৰ লাচিত বৰফুকন মহাবিদ্যালয় শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ লক্ষ্য হৈছে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সমৃদ্ধ সাংস্কৃতিক, সাহিত্যিক আৰু আধ্যাত্মিক ঐতিহ্যৰ সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰ কৰা।

